بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

# আঁহজৰত (ছাঃ)ৰ সত্য দাসৰ আল্লাহৰ প্ৰতি ভালপোৱাৰ ঈমান উদ্দীপক ঘটনাসমূহৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০ ফেব্ৰুৱাৰী ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আল্লাহ তা'লাৰ কৃপাত কালিৰ পৰা ৰমজান আৰম্ভ হৈছে। আল্লাহ তা'লাই এই ৰমজান মাহটো আল্লাহ তা'লাৰ সৈতে বিশেষ সম্পৰ্ক গঢ়ি তোলাৰ বাবে আৰু নিজৰ আত্মাৰ সংস্কাৰ কৰাৰ বাবে নিৰ্দিষ্ট কৰিছে। আল্লাহ তা'লা এই মাহৰ পৰা প্ৰতিজন আহমদীক অধিক উপকৃত হোৱাৰ সৌভাদ্য দান কৰক। কিন্তু মনত ৰখা উচিত যে প্ৰকৃত লাভ তেতিয়াই হ'ব পাৰিব, যেতিয়া ৰমজান মাহৰ পিছতো আমি আল্লাহৰ সৈতে ভালপোৱা আৰু উপাসনাৰ মানদণ্ড প্ৰতিষ্ঠিত ৰাখিম, অৰ্থাৎ সেই মানদণ্ড উন্নত  কৰাৰ চেষ্টা কৰিম, তেতিয়াহে আমি নিজৰ সৃষ্টিৰ উদ্দেশ্য পূৰণ কৰিব পাৰিম।

বিগত কেইবাটাও জুমাত আঁহজৰত (ছাঃ)ৰ আল্লাহৰ সৈতে ভালপোৱা, উপাসনাৰ পদ্ধতিসমূহ আৰু মানদণ্ড তথা মোমিনসকলে তেখেতৰ আদৰ্শৰ ওপৰত পৰিচালিত হ'বলৈ যিবোৰ উপদেশ আৰু পথ নিৰ্দেশনা দিয়া হৈছে, সেই সন্দৰ্ভত বৰ্ণনা কৰি আহিছো, লগতে তেখেত (ছাঃ)ৰ সত্য দাস হজৰত মছীহ মাওউদ (আঃ)য়ে তেখেত (ছাঃ)ৰ উত্তম আদৰ্শৰ আনুগত্য কৰাৰ ঘটনাসমূহৰো বৰ্ণনা হৈ আছিল। সেই বিষয়বোৰ এতিয়াও অব্যাহত আছে আৰু আজিও ৰমজান উপলক্ষে সেইবোৰ ঘটনাই অব্যাহত থাকিব।

হুজুৰ আনোৱাৰ (আঃ)য়ে কৈছে, আমি কেৱল এই ঘটনাবোৰ শুনি সুৰক্ষিত আছো বুলি ভৱাটো যথেষ্ট নহয়, বৰঞ্চ এইবোৰ আমাৰ বাবে পথ নিৰ্দেশনা হ'ব লাগিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত মছীহ মাওউদ (আঃ)ৰ জীৱনৰ এটা ঘটনা মৌলবী মহম্মদ আব্দুল্লাহ বাটালৱী (ৰাঃ)ৰ বৰ্ণনাৰ ভিত্তিত হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে বৰ্ণনা কৰি

কৈছে,...হজৰত মছীহ মাওউদ (আঃ)ৰ আল্লাহৰ সৈতে সম্পৰ্ক, পৱিত্ৰতা আৰু আল্লাহৰ উপাসনাৰ যি পোহৰ প্ৰকাশ পাইছিল, সেই কথা উল্লেখ কৰাটো অত্যান্ত প্ৰয়োজনীয়।

উম্মাতুৰ ৰহমানে বৰ্ণনা কৰিছে যে এদিনাখন হজৰত মছীহ মাওউদ (আঃ) আৰু উম্মুল মোমিনিনে এইটো অভিজ্ঞতা কৰিব বিচাৰিলে যে চকু মুদি কাগজত লিখিব পৰা যায় নে নহয়। অৰ্থাৎ কাগজখন ধৰি হজৰত মছীহ মাওউদ (আঃ)য়ে এই বাক্য লিখিছিল, যাৰ প্ৰতিটো শব্দ মোৰ মনত আছে। হুজুৰ (আঃ)য়ে চকু মুদি যি লিখিছিল সেয়া আছিল যে মানুহে সদায় খোদাৰ প্ৰতি ভয় কৰা উচিত আৰু পাঁচ ওৱাক্ত খোদাৰ চৰণত দোৱা কৰা উচিত।

হুজুৰ (আইঃ)য়ে কৈছে যে এইটো আছিল সেই মানদণ্ড যিটো তেখেত (আঃ)ৰ অনুগামীসকলক সদায় মনোযোগ আকৰ্ষণ কৰিছিল। তেখেত (আঃ) সদায় এই চিন্তাত নিমগ্ন থাকিছিল যে মোৰ অনুগামীসকল, অৰ্থাৎ প্ৰতিজন মোমিন, মানৰ এনেকুৱা হোৱা উচিত, যিসকলে খোদাৰ প্ৰতি ভয় কৰে আৰু আল্লাহৰ উপাসনাৰ প্ৰতি মনোযোগ দিয়ে।

এইদৰে হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে আৰু এটা ঘটনা বৰ্ণনা কৰিছে যে মিয়া আব্দুল্লাহ চাহাব ছনুৰি (ৰাঃ)য়ে কৈছে যে হুজুৰ (আঃ)য়ে ১৮৮৪ চনত কাদিয়ানৰ বাহিৰত চিল্লাকশি (পৃথকভাৱে চল্লিশ দিন আল্লাহৰ আৰাধনা) আৰু ভাৰতত যাত্ৰা কৰাৰ ইচ্ছা কৰিছিল। প্ৰথমে ছুজানপুৰ, জিলা গুৰদাছপুৰত গৈ চিল্লাকশি কৰাৰ ইচ্ছা কৰিছিল, কিন্তু পিছত ইলহাম হৈছিল যে তোমাৰ এই বিষয়টোৰ সমাধান হুশিয়াৰপুৰত হ'ব। অৰ্থাৎ জানুৱাৰী ১৮৮৬ চনত হুশিয়াৰপুৰ যোৱাৰ আগতেই মোক কাদিয়ানলৈ মাতি অনা হ'ল আৰু মুখিয়াল শ্বেখ মেহেৰ আলী (হুশিয়াৰপুৰ)লৈ চিঠি লিখা হ'ল যে মই দুই মাহৰ বাবে হুশিয়াৰপুৰলৈ যাব বিচাৰো। গতিকে মোৰ বাবে চহৰৰ প্ৰান্তত বালা খানা (ঘৰৰ ওপৰ মহল)ত থকা কোঠালিৰ ব্যৱস্থা কৰিব। তেওঁ তৰিলে নামেৰে বিখ্যাত এটা কোঠালি খালি কৰি দিয়ে। হুজুৰ (আঃ) বেহলী (দুটা চকা থকা গৰু গাড়ী) ত বহি বিয়াচ নদী হৈ হুশিয়াৰপুৰ গৈ উপস্থিত হৈছিল। লগতে মিয়া আব্দুল্লাহ, শ্বেখ হামেদ আলী আৰু ফাতাহ খান আছিল। নদীখন পাৰ হোৱাৰ বাবে নাও এখন লৈছিল, নাওখন চলি থকা সময়ত হুজুৰ (আঃ)য়ে কৈছিল যে আল্লাহৰ নৈকট্য লাভ কৰাটো এই যাত্ৰাৰ দৰেই, য'ত পাৰ হোৱাৰো আশা থাকে আৰু ডুবি যোৱাৰো ভয় থাকে। হুজুৰৰ এই কথাবোৰ মই অধিক গুৰুত্ব নিদিয়াকৈ শুনিছিলো, কিন্তু যেতিয়া ফাতাহ খান চাহাব ধৰ্মত্যাগী হৈ পৰিছিল, তেতিয়া সেই কথা মোৰ মনত পৰিছিল। হুজুৰ (আঃ)ৰ এখন বিজ্ঞাপনৰ জৰিয়তে ঘোষণা কৰিলে যে চল্লিশ দিনলৈকে মোৰ সৈতে কোনেও সাক্ষাৎ কৰিবলৈ নাহিব আৰু কোনোবাই মোক নিমন্ত্ৰণো নকৰিব। চল্লিশ দিন পাৰ হোৱাৰ পিছত মই আৰু অধিক ২০ দিন অৱস্থান কৰিম। সেই বিশ দিনত সাক্ষাৎ আৰু প্ৰশ্ন-উত্তৰৰ অনুমতি থাকিব। মোক আদেশ দিয়া হৈছিল দুৱাৰখন বাহিৰৰ পৰা সদায় শিকলিৰে বন্ধ ৰাখিব, আৰু ঘৰৰ পৰা কোনেও মোক মাত নিদিব, আৰু কোনেও ওপৰলৈ নাহিব, মই নামাজ ওপৰ মহলতে আদায় কৰিম। নামাজে জুমাৰ বাবে তেখেত (আঃ)য়ে কৈছিল যে কোনো নিৰ্জন এখন মছজিদৰ সন্ধান কৰিব, যিখন চহৰৰ পৰা দূৰত, য'ত আমি পৃথকভাৱে নামাজ আদায় কৰিব পাৰো।

এবাৰ হুজুৰ (আঃ)য়ে মোক কৈছিল যে মিয়া আব্দুল্লাহ ! এই দিনবোৰত মোৰ ওপৰত খোদা তা'লাৰ কৃপাৰ দুৱাৰ মুকলি হৈছে, কেতিয়াবা খোদা তা'লাই দীৰ্ঘ সময়লৈকে মোৰ সৈতে কথা পাতে। যদি এইবোৰ ঘটনা লিখিবলৈ আৰম্ভ কৰো, তেন্তে বহু পৃষ্ঠা হৈ যাব। অৰ্থাৎ মিয়া আব্দুল্লাহ চাহাবে কৈছে যে পুত্ৰ মাওউদ সন্দৰ্ভত এই চিল্লাকশিত ইলহাম হৈছিল, আৰু চিল্লাকশিৰ পিছত হুশিয়াৰপুৰৰ পৰাই তেখেত (আঃ)য়ে এই ভৱিষ্যদ্বাণীৰ ঘোষণা কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এইটো আছিল ২০ ফেব্ৰুৱাৰী ১৮৮৬ চনৰ বিজ্ঞাপন, জামাতত এইটো মুচলেহ্ মাওউদ (ৰাঃ)নামেৰে জনাজাত। এইটো এটা বিশেষ বিষয় যে আজি ২০ ফেব্ৰুৱাৰী মাওউদ পুত্ৰৰ ভৱিষ্যদ্বাণী বৰ মৰ্যাদাৰে পৰিপূৰ্ণ হোৱাৰ দিন। সেই প্ৰতিশ্ৰুত ল'ৰা যিজন ভৱিষ্যদ্বাণী অনুসৰি জন্ম হৈছিল, তেখেত ৫২ বছৰ খলিফাৰ আসনত অধিষ্ঠিত আছিল, আল্লাহ্ তা'লাই তেওঁক সাফল্যমণ্ডিত কৰিছে। সেই সকলোবোৰ ভৱিষ্যদ্বাণী, ইলহাম আৰু কথাবোৰ যিবোৰ মুচলেহ্ মাওউদৰ ভৱিষ্যদ্বাণীত আছিল, সেই সকলোবোৰ হজৰত মিৰ্জা বশিৰ উদ্দিন মাহমুদ আহমদ চাহাব (ৰাঃ)ৰ জীৱন কালত পৰিপূৰ্ণ হৈছে। এই বিষয়টো মই এই কাৰণে কৈ আছো যে এই ঘটনাটো আজিৰ দিনাই মোৰ সন্মুখলৈ আহিছে, অন্যথা আগে-পিছেও আহিব পাৰিলেহেঁতেন। ইয়াৰ মাজত আল্লাহ্ তা'লাৰ প্ৰজ্ঞা এয়াই আছিল যে আজিৰ দিনাই ঘটনাটো সন্মুখলৈ আহিছে আৰু মই বৰ্ণনাও কৰিম। জামাতত এই উপলক্ষে জলছাও অনুষ্ঠিত হৈ আছে, ইয়াৰ দ্বাৰা ইতিহাসৰ বিষয়ে জানিব পৰা যায়, এম,টি, এত সম্প্ৰচাৰ হৈ থাকে, তাৰ পৰাও ইতিহাসৰ বিষয়ে জানিব পৰা যায়, সেয়েহে এম,টি,এ চোৱা উচিত।

হুজুৰ আনোৱাৰ (আইঃ(য়ে কৈছে, সেই দিনবোৰতে ফাতাহ্ খান বৰ নিৰ্ভৰশীল হৈ কৈছিল যে মই হজৰত চাহাবক নবী বুলি গণ্য কৰো, কিন্তু যেতিয়া তেওঁ উজুটি খাইছিল, তেতিয়া ধৰ্মত্যাগী হৈ গৈছিল।

এই উপলক্ষে হুজুৰ আনোৱাৰ (আইঃ)য়ে মনোযোগ আকৰ্ষণ কৰিছে যে মানুহে সদায় নিজৰ ভাল পৰিণামৰ বাবে দোৱা আৰু নিজৰ ঈমান দৃঢ় হোৱাৰ প্ৰচেষ্টা কৰি থকা উচিত। বিশেষকৈ ৰমজান মাহত এনে দোৱা কৰা উচিত।  আল্লাহ্ তা'লাই আমাৰ পৰিণাম ভাল কৰক আৰু ঈমান দৃঢ় কৰক বুলি সকলোৱে দোৱা কৰা উচিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে নামাজৰ বিষয়ে এনেদৰে আন এটা ঘটনা আছে। কিছুমান লোকে নামাজৰ ফিকহী মছায়েল সন্দৰ্ভৰ প্ৰশ্ন কৰে যে হাত কেনেকৈ বান্ধিব লাগে আৰু নামাজত কেনেকৈ স্থিৰ হৈ থাকিব লাগে ? মিয়া আলী চাহাবে হজৰত মছীহ মাওউদ (আঃ)ৰ নামাজ পঢ়াৰ পদ্ধতি বৰ্ণনা কৰিছে যে এবাৰ মই হুজুৰ (আঃ)ক ছুন্নত নামাজ আদায় কৰি থকা দেখা পাইছিলো, হুজুৰ (আঃ)য়ে হাতখন নাভিৰ ওপৰত ৰাখিছিল আৰু সোঁ হাতৰ আঙুলিবোৰ কিলাকুটীত ৰাখিছিল, অৰ্থাৎ কিছু পৰিমাণে পিছুৱাই ৰাখিছিল। ছিজদা কৰা সময়ত তেখেত (আঃ)ৰ দুয়োখন হাতৰ মাজত মূৰ ৰাখিছিল, আৰু নাক ভূমিৰ সৈতে স্পৰ্শ কৰিছিল, আৰু আঙুলিবোৰ কা'বাৰ ফালে চিধা ৰাখিছিল, যেতিয়া তেখেত (আঃ)য়ে ছিজদাৰ পৰা উঠিছিল, তেতিয়া তেখেত (আঃ)ৰ পাগুৰী ঢিলা হৈ পিছফালে গৈছিল আৰু পাগুৰিটো আঙুলিৰে  চিধা কৰিছিল।

হজৰত মাষ্টাৰ নজিৰ হুছেইন চাহাব তেখেত (আঃ)ৰ তাহাজ্জুদৰ নামাজৰ কথা বৰ্ণনা কৰি লিখিছে যে ৰাতি তিনিটা বজাত হুজুৰ (আঃ)ক দেখা পাইছিলো যে হুজুৰ নামাজ পঢ়ি আছিল, মইও অজু কৰি হুজুৰ (আঃ)ৰ পিছফালে কিছু দূৰত নামাজ পঢ়া আৰম্ভ কৰিছিলোঁ। মই হুজুৰ (আঃ)ৰ দৰে কিয়াম আৰু ৰকু কৰাৰ চেষ্টা কৰিলোঁ, কিন্তু তেনেকুৱা কৰিব নোৱাৰিলোঁ। কেৱল দুই ৰাকাতেই ক্লান্ত হৈ পৰিলোঁ আৰু হুজুৰ (আঃ) নামাজ পঢ়া অৱস্থাতেই আছিল। তেওঁ কৈছে যে দিনৰ সময়ত যেতিয়া হুজুৰ (আঃ)ৰ কাষত বহিছিলোঁ, তেতিয়া হুজুৰ (আঃ)য়ে নামাজে তাহাজ্জুদৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিছিল, মই কৈছিলো যদি তাহাজ্জুদৰ নামাজ পঢ়িব নোৱাৰো, তেন্তে অন্ততঃ কি কৰা উচিত ? ইয়াৰ উত্তৰত হুজুৰ (আঃ)য়ে কৈছিল যে সেই সময়ত ইস্তিগফাৰ অধিক পৰিমাণে কৰিবা, খোদাৰ তছবিহ আৰু তামহিদ অধিক কৰিবা, ইয়াৰ ফলত তাহাজ্জুদৰ নামাজ পঢ়াৰ সৌভাগ্য লাভ হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে মনোযোগ আকৰ্ষণ কৰি কয় যে যিটো দোৱা শিকোৱা হৈছে, ইয়াৰ উদ্দেশ্য এইটো নহয় যে তাহাজ্জুদৰ পৰিৱৰ্তে পঢ়া হওক, বৰঞ্চ এনে দোৱাৰ ফলত তাহাজ্জুদৰ নামাজ পঢ়াৰ সৌভাগ্য লাভ হয়। এইটো সেই ঔষধ যিটো আলস্যৰ দিনত গ্ৰহণ কৰা উচিত।

আজাকালি আমি ৰমজান মাহ পাৰ কৰি আছো আৰু কিছু নহ'লেও কিছু পৰিমাণে তাহাজ্জুদৰ নামাজ পঢ়াৰ সৌভাগ্য লাভ হৈ আছে, যদি এই সৌভাগ্য লাভ হোৱা নাই, তেন্তে চেষ্টা কৰা উচিত, যদিও মছজিদত তাৰাবীহৰ নামাজ আদায় কৰা হয়। তাৰাবীহ নামাজ হৈছে দুৰ্বল আৰু এনেকুৱা লোকৰ বাবে, যিসকলে ৰাতিপুৱাৰ সময়ত উঠিব নোৱাৰে বা বেছি সময় দিব নোৱাৰে, তাহাজ্জুদৰ পৰিৱৰ্তে পঢ়া হয়। কিন্তু এইটো এনেকুৱা তাহাজ্জুদৰ বিকল্প নহয়, যিয়ে সম্পূৰ্ণৰূপে তাহাজ্জুদৰ অধিকাৰ পূৰণ কৰিব পাৰে। আঁহজৰত (ছাঃ)ৰ ছুন্নত আৰু তেখেত (আঃ)ৰ সত্য দাস হজৰত মছীহ মাওউদ (আঃ)ৰ পদ্ধতি এইটো আছিল যে ৰাতিত উঠি নামাজে তাহাজ্জুদ পঢ়া যাওক। তাৰাবীহ নামাজ যদি আদায় কৰা হয়, তথাপি দুই বা চাৰি ৰাকাত নফল, অৰ্থাৎ নামাজে তাহাজ্জুদ পঢ়া উচিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে শেষত কৈছে যে হুজুৰ (আঃ)য়ে কৈছিল, জগতখন একেবাৰে পৰিত্যাগ কৰা উচিত নহয়, আল্লাহ তা'লাই যি অনুগ্ৰহ প্ৰদান কৰিছে সেইবোৰৰ প্ৰতি গুৰুত্ব দিয়া উচিত। সকলোৱে নিজৰ পৰিস্থিতিৰ ফালে লক্ষ্য ৰখা উচিত, পৃথিৱীত সম্পূৰ্ণৰূপে ডুবি যোৱা উচিত নহয় আৰু জগতখন এনেদৰে পৰিত্যাগ নকৰিব যাতে জগতৰ অধিকাৰ শেষ হৈ পৰে। ইছলামৰ শিক্ষা হৈছে ঐক্যবদ্ধ শিক্ষা, সেয়া অৱলম্বন কৰা উচিত।

খোতবা ছানিয়াৰ আগতে হুজুৰ আনোৱাৰ (আইঃ)য়ে ৰমজান মাহ হিচাপে উপাসনাৰ অধিকাৰ আদায় কৰা, নিপীড়িত আহমদী আৰু কয়েদীসকলৰ বাবে, মুছলিম উম্মতৰ বাবে আৰু পৃথিৱীখন ধ্বংসৰ গ্ৰাসৰ পৰা ৰক্ষা পোৱাৰ বাবে বিশেষকৈ দোৱাৰ ফালে মনোযোগ আকৰ্ষণ কৰে।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 20 FEB 2026**

## BOOK POST (PRINTED MATTER)

TO,

........................................................................................................................................

........................................................................................................................................

........................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB